জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

9/65 । ৬০ বছৰ । ৫১ সংখ্যা, ৮ আহিন, বুধবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 51 । DIBRUGARH, WEDNESDAY, SEPTEMBER 25, 2024 । পৃষ্ঠা ১৪ (Pages 14) । ৭.০০ টকা (Rs.

'দৈনিক অ
সংগ্ৰহ কৰাৰ
সন্মুখীন হ
যিকোনো স
বাবে অনুগ্ৰহ
এই ফোন ন
যোগাযোগ ক
৭০০২০-৪৩

L.C.C.C LIBRARY
Accession No.

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ডঃ যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান

নিজা বাতৰি দিওঁতা

ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ অসম কলেজ শিক্ষক সংস্থাৰ ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত আজি ২৭সংখ্যক ডঃ যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম কলেজ শিক্ষক সংস্থাৰ ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ডঃ উত্তম মহনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত মুখ্য বক্তা হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ডঃ অৰ্চনা শৰ্মাই 'সমৃদ্ধিৰ অৰ্থনীতি আৰু দৰ্শন' শীৰ্ষক বক্তৃতা আগবঢ়ায়। ডঃ শৰ্মাই বক্তৃতা প্ৰসংগত অৰ্থনীতিয়ে মানুহৰ জীৱনলৈ কেনেদৰে সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনে সেই বিষয়ে তথ্যসহকাৰে বিশ্লেষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰদ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত



সভাপতিত্ব কৰে অসম কলেজ শিক্ষক সংস্থাৰ ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ডঃ চন্দনা গোস্বামীয়ে। প্ৰাক্তন মুৰব্বী অধ্যাপিকা ডঃ অঞ্জলী ফুকনে উদ্বোধন কৰা বক্তৃতানুষ্ঠানটোত তেওঁ ডঃ যোগীৰাজ বসুৰ শৈক্ষিক আৰু কৰ্মজীৱনৰ ওপৰত আলোকপাত কৰে। অধ্যাপিকা ডঃ চয়নিকা গোস্বামীৰ মঙ্গলাচৰণ আৰু পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত আদৰণী ভাষণ দি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয়— ডঃ যোগীৰাজ বসু এগৰাকী শৈক্ষিক নেতা আছিল আৰু আজিৰপৰা আশী বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়খনৰ তেওঁ আছিল এজন স্বপ্নদ্ৰষ্টা। তেওঁ এগৰাকী দূৰদৰ্শী ব্যক্তি আছিল আৰু 'শিক্ষা সকলোৰে বাবে সুলভ হ'ব লাগে' এই দৰ্শনত তেওঁ বিশ্বাসী আছিল। উত্তৰ-পূব ভাৰতৰ ডিব্ৰুগড় অঞ্চলত উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁ অক্লান্তভাৱে পৰিশ্ৰম কৰিছিল। তেওঁ গঢ়ি যোৱা মূল্যবোধ আৰু আদৰ্শৰে মহাবিদ্যালয়খন উজ্জীৱিত কৰি ৰখাত মহাবিদ্যালয়ৰ সকলোকে ধন্যবাদ জনায়। প্ৰসংগক্ৰমে তেওঁ এনে এজন বৰণ্য ব্যক্তি, পণ্ডিতৰ নামত প্ৰতি বছৰে বক্তৃতাৰ আয়োজন কৰাত শিক্ষক গোটৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰে। লগতে ডঃ বসুৱে শিক্ষাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা উল্লেখযোগ্য অবদানৰ বাবে তেওঁক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন অধ্যাপক-অধ্যাপিকাক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ প্ৰিয়দেৱ গোস্বামী, অসম-কলেজ শিক্ষক সংস্থাৰ কাৰ্যবাহী সদস্য ডঃ দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক- অধ্যাপিকা, কৰ্মচাৰী, বহুকেইগৰাকী প্ৰাক্তন অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি মুখ্য বক্তাৰ লগত এক মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়।